ৰাজ্যিক কাৰ্য্যালয়

# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ

*"অটল বিহাৰী বাজপেয়ী ভৱন"*

Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

## প্ৰেছ বিজ্ঞপ্তি

## বৃহৎ নদীবান্ধ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা যোগাত্মক পদক্ষেপক ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ আদৰণি

গুৱাহাটী, ১২ ডিচেম্বৰ ২০১৪ ঃ ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ কেন্দ্ৰীয় চৰকাৰে সঠিক পথেৰে আগবাঢ়ি অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখিয়েই নামনি সোৱনশিৰি নদী বান্ধ সম্পৰ্কত অসমৰ জাতীয় সংগঠন সমূহৰ স'তে আলোচনাত মিলিত হৈছে। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমামন্ত্ৰী সৰ্বানন্দ সোনোৱালে ইতিমধ্যেই স্পষ্ট ভাষাত দোহাৰিছে "অসমৰ স্বাৰ্থক আমি কেতিয়াও জলাঞ্জলি নিদিওঁ"। অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰখাৰ বাবে নৱগঠিত আঠজনীয়া বিশেষজ্ঞ সমিতিয়ে ইতিপূৰ্বে গঠিত অসমৰ বিশেষজ্ঞ সমিতি তথা ঠাট্টে/ ৰেড্ডি সমিতিৰ প্ৰতিবেদনত নামনি সোৱনশিৰি নদীবান্ধৰ পৰা নামনিত পৰিব পৰা প্ৰভাৱ ৰোধ কৰাৰ বাবে আগবঢ়োৱা পৰামৰ্শাৱলী বিতং অধ্যয়ন কৰি এক চূড়ান্ত প্ৰতিবেদন যুগুতাব। এই সমিতিৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই আগন্তুক সময়ত পৰৱৰ্তী ব্যৱস্থা লোৱা হ'ব বুলি ইতিমধ্যে কালিৰ সভাত সিদ্ধান্ত লোৱাটোৱে ভাৰতীয় জনতা পাৰ্টি অসমৰ জনসাধাৰণৰ ওচৰত যে দায়বদ্ধ সেয়া সূচায়। জনসাধাৰণৰ সমস্যা জীয়াই ৰাখি সমাধানৰ টোপ দি দি ৰাজনীতি কৰা কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতি প্ৰৰোচনামূলক কটুক্তিৰে ৰাজ্যৰ জনসাধাৰণক বিভ্ৰান্ত কৰি অহাৰ সমুচিত প্ৰতুত্ত্যৰ আছিল কালি অনুষ্ঠিত হৈ যোৱা বৈঠকখন। ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ তৰফৰ পৰা এই ক্ষেত্ৰত স্পষ্ট কৰা হয় যে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশে অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী কোনো কাৰ্য্যকে সমৰ্থন নকৰে। লগতে ভাৰতীয় জনতা পাৰ্টিয়ে গভীৰভাৱে বিশ্বাস কৰে যে ভাৰতীয় জনতা পাৰ্টিৰ বিপুল উত্থানত সংকিত হৈ নদীবান্ধ সম্পৰ্কত কৰা ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত কোনোধৰণৰ অপ-প্ৰচাৰত অসমৰ জনসাধাৰণ বিভ্ৰান্ত নহয়।

স্বাক্ষৰ/- হিতেন্দ্ৰ নাথ গোস্বামী
মুখপাত্ৰ, বিজেপি, অসম প্ৰদেশ